# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 02-05-2025
**Time :** 1715 HRS

## *Assamese Evening Bulletin*

***- - - - - - - - - - - - - -***

পঞ্চায়ত নিৰ্বাচনৰ প্ৰথম পৰ্যায়ত আজি উজনি অসম, উত্তৰ অসম আৰু বৰাক উপত্যকাৰ মুঠ ১৪ খন জিলাত ভোটগ্ৰহণ অনুষ্ঠিত হৈছে। ৰাজ্যিক নিৰ্বাচন আয়োগৰ তথ্য অনুসৰি বিয়লি চাৰে তিনি বজা পৰ্যন্ত ৫৬ দশমিক ৪-১ শতাংশ ভোটদান সম্পন্ন হৈছে।

তিনিচুকীয়া জিলাত ৪৮ দশমিক ১-৪ শতাংশ, ডিব্ৰুগড়ত ৪৫ শতাংশ, চৰাইদেউত ৫০ দশমিক ৯-৪ শতাংশ, শিৱসাগৰত ৫৭ দশমিক ৭-২ শতাংশ, মাজুলীত ৬১ দশমিক ৬-৭ শতাংশ, যোৰহাটত ৫৭ শতাংশ, গোলাঘাটত ৫২ দশমিক ৫-১ শতাংশ, ধেমাজিত ৬২ দশমিক ১ শতাংশ, লখিমপুৰত ৬৬ দশমিক ৫ শতাংশ, শোণিতপুৰত ৫২ দশমিক ৫ শতাংশ আৰু বিশ্বনাথত ৫৬ দশমিক ৮-৯ শতাংশ ভোটদান সম্পন্ন হৈছে। আনহাতে বৰাক উপত্যকাৰ কাছাৰ জিলাত  ৫৮ দশমিক ৫-৫ শতাংশ, হাইলাকান্দিত ৬০ দশমিক ১-০ শতাংশ আৰু শ্ৰীভূমি জিলাত ৬০ দশমিক ১-৫ শতাংশ ভোটদান সম্পন্ন হৈছে। সামগ্ৰিকভাৱে ভোটদান প্ৰক্ৰিয়া শান্তিপূৰ্ণভাৱে অনুষ্ঠিত দুই-এটা স্থানত বিক্ষিপ্ত ঘটনা সংঘটিত হোৱাৰ বাতৰি আহি পৰিছে। ডিব্ৰুগড় জিলাৰ চাবুৱা-লাহোৱাল বিধানসভা সমষ্টিৰ অন্তৰ্গত জেৰাই দীঘলিবাৰী গাঁও পঞ্চায়তত চাৰি শতাধিক লোক ভোটদানৰ পৰা বঞ্চিত হোৱাত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়।

ৰাজ্যিক নিৰ্বাচন আয়োগে দিয়া তথ্য অনুযায়ী এই ১৪ খন জিলাত পঞ্চায়ত নিৰ্বাচনৰ ভোটদাতাৰ সংখ্যা ৮৯ লাখ ৬০ হাজাৰ ৫৭৭। এই জিলাকেইখনত ২১৬ টা জিলা পৰিষদ, এহেজাৰ ১৩৯ টা আঞ্চলিক পঞ্চায়ত আৰু ১১ হাজাৰ ৩৯০ টা গাঁও পঞ্চায়তৰ ৱাৰ্ড আছে।

ooooo

অহা ৭ মে'ত হ'বলগীয়া দ্বিতীয় পৰ্যায়ৰ পঞ্চায়ত নিৰ্বাচনৰ ভোট গ্ৰহণৰ বাবে বিভিন্ন জিলা প্ৰশাসনে পূৰ্ণ গতিৰে প্ৰস্তুতি চলাইছে। ভোটগ্ৰহণ প্ৰক্ৰিয়া সুচাৰুৰূপে পৰিচালনা কৰিবলৈ দক্ষিণ শালমৰা মানকাচৰ জিলাৰ জিলা প্ৰশাসনে প্ৰিজাইডিং, পোলিং বিষয়াৰ গোটক তৃতীয় পৰ্যায়ৰ প্ৰশিক্ষণ প্ৰদান কৰে। জিলাখনৰ হাটশিঙিমাৰী মহাবিদ্যালয়ত ১১২ টা প্ৰিজাইডিং আৰু পোলিং গোটক অন্তিম পৰ্যায়ৰ প্ৰশিক্ষণ প্ৰদান কৰা হয়। জিলা অতিৰিক্ত আয়ুক্ত ৰিপণজ্যোতি নাথৰ উপস্থিতিত প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হয়। কাইলৈ বিয়লিৰ ভিতৰত জিলাখনৰ মুঠ ৪০৬ টা ভোটগ্ৰহণ কেন্দ্ৰৰ বাবে ৪৪৮ টা প্ৰিজাইডিং আৰু পোলিং বিষয়াৰ গোটক তৃতীয় তথা অন্তিম পৰ্যায়ৰ প্ৰশিক্ষণ প্ৰদান কৰা হ'ব।

ooooo

অসম প্ৰকাশন পৰিষদৰ আজি ৬৭ সংখ্যক গৌৰৱোজ্জ্বল প্ৰতিষ্ঠা দিৱসত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অসমৰ চহকী তথা সম্ভ্ৰান্ত অনুষ্ঠানটিৰ প্ৰতিষ্ঠাৰ আঁৰত থকা বৰেণ্য লোকসকলৰ অৱদানক স্মৰণ কৰে। মুখ্যমন্ত্ৰীয়ে পৰিষদৰ বিষয়া-কৰ্মচাৰী তথা পঢ়ুৱৈ সমাজলৈও আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছে। বিভিন্ন

ঘটনাক্ৰমৰ মাজেদি সাতটা দশক অতিক্ৰম কৰিবলৈ আগবঢ়া পৰিষদে অসমৰ সাহিত্য, সমাজ, সাংস্কৃতিক ঐতিহ্যক ধৰি ৰখা বহু মূল্যৱান গ্ৰন্থ প্ৰকাশ কৰাৰ লগতে অনুবাদ সাহিত্যলৈও বৰঙণি আগবঢ়াইছে। পৰিষদে সাহিত্যৰ প্ৰসাৰ আৰু প্ৰচাৰৰ বাবে গ্ৰন্থমেলাকে ধৰি বহু প্ৰকল্পৰ কাম হাতত লৈ আগবাঢ়ি যোৱাটো এক শুভ লক্ষণ বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। পৰিষদৰ এই কাৰ্যৰ প্ৰতি অসম চৰকাৰে দায়বদ্ধতাৰে কাম কৰি যাব বুলিও মুখ্যমন্ত্ৰী ডঃ শৰ্মাই প্ৰকাশ কৰে।

০০০০০

ৱেভছ সন্মিলন ২০২৫ৰ অংশ হিচাপে আজি পুৱা মুম্বাইৰ জিঅ' ৱাৰ্ল্ড কনভেচন কেন্দ্ৰত সংবাদ সেৱা বিষয়ক এখন আন্তঃৰাষ্ট্ৰীয় বৈঠক অনুষ্ঠিত হৈছে। এই বৈঠক তথ্য আৰু প্ৰযুক্তি মন্ত্ৰালয়ৰ উদ্যোগত আৰু বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ সহযোগত অনুষ্ঠিত হৈছে।

মুম্বাইৰ জিঅ' বিশ্ব অভিবৰ্তন কেন্দ্ৰত কালি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিশ্ব দৃশ্য-শ্ৰাব্য আৰু মনোৰঞ্জন সন্মিলন- ৱেভছ-২০২৫ উদ্বোধন কৰে। অভিনেতা আমিৰ খানে আজি এই সন্মিলনত উপস্থিত থাকি কয়, যে ভাৰতত জনসাধাৰণৰ বিপৰীতে চলচ্চিত্ৰ গৃহৰ সংখ্যা কম। তেওঁ কয়, যে ভাৰতত কৈ আমেৰিকা যুক্তৰাষ্ট্ৰত জনসংখ্যা কম যদিও চলচ্চিত্ৰ গৃহৰ সংখ্যা যথেষ্ট বেছি।

০০০০০

পশ্চিম কাৰ্বি আংলং জিলাত আজি পুৱা বনৰীয়া হাতীৰ আক্ৰমণত এগৰাকী মহিলা নিহত হৈছে। বনৰীয়া হাতীৰ আক্ৰমণত তৰাডুবি গাঁৱৰ মইনা বৰদলৈ নামৰ ৪৫ বছৰীয়া মহিলাগৰাকী নিহত হয়। জংঘলৰ এটা পথেৰে গৈ থকা অৱস্থাত মহিলাগৰাকীক হাতীয়ে আক্ৰমণ কৰে বুলি আৰক্ষী সূত্ৰই প্ৰকাশ কৰিছে।

০০০০০

ডিমা হাছাও জিলাৰ সদৰ হাফলঙৰ ছেইণ্ট এগনেছ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী ৰমা বনাৰৰ আজি পুৱতি নিশা মৃত্যু হয়। বাৰ্ধক্যজনিত কাৰণত শিক্ষয়িত্ৰীগৰাকীৰ মৃত্যু হোৱা বুলি জানিব পৰা গৈছে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭৯ বছৰ। শিক্ষয়িত্ৰীগৰাকীৰ নশ্বৰ দেহত তেওঁৰ ভালেসংখ্যক ছাত্ৰ-ছাত্ৰী, শুভাকাংক্ষী, সহকৰ্মী আৰু গুণমুগ্ধই শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। বিশিষ্ট শিক্ষয়িত্ৰীগৰাকীৰ মৃত্যুত সমগ্ৰ হাফলঙত শোকৰ ছাঁ পৰে।

০০০০০

সমাপ্ত